# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-12-2025 **Time :** 0900Hrs.

## Headlines

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি গুৱাহাটী আৰু বটদ্ৰৱাত কেইবাটাও প্ৰকল্প উদ্বোধন।

২। কাৰ্বি আংলঙত আইন শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত কালিৰেপৰা দুয়োখন জিলাতে ইণ্টাৰনেট সেৱা পুনৰ প্ৰৱৰ্তন।

৩। মুখ্যমন্ত্ৰী আৰু বিজেপিৰ ৰাজ্যিক সভাপতিৰ আলোচনাৰ পাছতহে অগপৰে আসন বুজাবুজিৰ সিদ্ধান্ত। সমাগত নিৰ্বাচনত কংগ্ৰেছৰ মুঠ ১০০খন আসনত প্ৰতিদ্বন্দ্বিতাৰ কথা ঘোষণা।

৪। অসম গ্ৰন্থ মেলাৰ আজি ষষ্ঠদিনা **অসমীয়া উপন্যাসত সমাজ বাস্তৱতাঃ সাম্প্ৰতিক কথন** শীৰ্ষক বিষয়ত আলোচনা।

**আৰু**

৫। তিৰৱনন্তপুৰমত অনুষ্ঠিত মহিলা টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাত শ্ৰীলংকাৰ বিৰুদ্ধে চতুৰ্থখন খেলতো ভাৰতৰ জয়লাভ।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটী আৰু বটদ্ৰৱাত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে ভালেমান কাৰ্যসূচীত অংশ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি গুৱাহাটীলৈ অহাৰ কথা আছিল যদিও ঘন কুঁৱলীৰ বাবে তেওঁৰ বিমান যাত্ৰা বাতিল হোৱাত অসম ভ্ৰমণ এদিন পিছুৱাই দিবলগীয়া হয়। আজি পুৱা গুৱাহাটীত উপস্থিত হৈ শ্ৰীশ্বাহে শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত নগাঁও জিলাৰ বটদ্ৰৱাত ৰাজ্য চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। শ্ৰীশ্বাহে আজি বৰদোৱাত এটা ৰাজহুৱা সমদলতো অংশলোৱাৰ কথা।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি বটদ্ৰৱা প্ৰকল্পস্থলী পৰিদৰ্শন কৰি সাংবাদিকৰ আগত এইদৰে কয় –

বাইট (চি এম)

উল্লেখযোগ্য যে ২২২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা  বটদ্ৰৱা প্ৰকল্পত গুৰু আসন ভৱন, মণিকাঞ্চন নামঘৰ, দক্ষতা বিকাশ কেন্দ্ৰ, গৱেষণা কেন্দ্ৰ, কলা কেন্দ্ৰ, নাটঘৰ, দহটা জনগোষ্ঠীয় কুটিৰকে ধৰি বিভিন্ন ব্যৱস্থা থাকিব।

গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটী মহানগৰৰ সুৰক্ষা ব্যৱস্থা অধিক উন্নত কৰাৰ লক্ষ্যৰে এটা নতুন আৰক্ষী আয়ুক্তালয় আৰু সংহত  কমাণ্ড আৰু নিয়ন্ত্ৰণ ব্যৱস্থা মুকলি কৰিব। তেওঁ লগতে খানাপাৰাত নৱ নিৰ্মিত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৪৫ বিঘা এলেকাজুৰি ২৯১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, অত্যধুনিক দৃশ্য-শ্ৰাব্য ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি বহুবোৰ উন্নত মানৰ ব্যৱস্থা থাকিব। গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰেক্ষাগৃহতে জন্মগতভাৱে থকা হৃদৰোগৰ পৰা সুস্থ হোৱা এহেজাৰ শিশুৰ অভিবাদন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব। শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব।

০০০০০০০০০

কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাত আইন-শৃংখলা পৰিস্থিতি কিছু উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুখনত কালিৰেপৰা ম'বাইল ইণ্টাৰনেট সেৱা পুনৰ বাহাল কৰা হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি পাৰ্বত্য জিলা দুখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ লগতে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত অতিৰিক্ত সুৰক্ষা বাহিনী নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে বিগত সপ্তাহত পশ্চিম কাৰ্বি আংলং জিলাৰ বিভিন্ন অংশত হোৱা হিংসাত্মক ঘটনাত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে ১৭০ জনতকৈ অধিক লোক আহত হয়। আহতসকলৰ অধিকাংশই সুৰক্ষা বাহিনীৰ লোক বুলি চৰকাৰী সূত্ৰত প্ৰকাশ। জিলা দুখনত যোৱা ২৩ ডিচেম্বৰত বন্ধ কৰি দিয়া ম'বাইল ইণ্টাৰনেট সেৱা পুনৰ বাহাল ৰখাৰ বাবে গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে কালি এটা  নিৰ্দেশ জাৰি কৰে।

০০০০০০০০০

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হৈছে।

গান

সমাগত অসম বিধানসভাৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। শাসনাধিস্থ বিজেপি মিত্ৰজোঁটৰ মাজত আসন ভাগ বটোৱাৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত নিজৰ মত প্ৰকাশ কৰে। অসম গণ পৰিষদৰ সৈতে আসন ভাগ বটোৱাৰা বুজাবুজিৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধা নাই বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। আজি অসমলৈ অহা গৃহমন্ত্ৰী অমিত শ্বাহে আসন ভাগ বটোৱাৰা সন্দৰ্ভত অগপ নেতৃত্বৰে কোনো ধৰণৰ আলোচনাত মিলিত নহয় বুলি তেওঁ জানিবলৈ দিয়ে। অগপৰ সৈতে বুজাবুজিৰ ক্ষেত্ৰত বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত ল'ব। এই ক্ষেত্ৰত কিবা সমস্যাৰ সন্মুখীন হ'লেহে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে হস্তক্ষেপ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে, বিৰোধী দলৰ ৰণনীতি আৰু মিত্ৰতাৰ সন্দৰ্ভত প্ৰধান বিৰোধী দল কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে কালি আনুষ্ঠানিকভাৱে মন্তব্য প্ৰকাশ কৰি এইদৰে কয়–

**-বাইট-**

গৌৰৱ গগৈৰ এই মন্তব্যক ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে আশা ব্যঞ্জক বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সাংবাদিকৰ আগত বিধায়কগৰাকীয়ে কয়, যে ৰাইজৰ দলে দীৰ্ঘদিন ধৰি সমগ্ৰ ৰাজ্যজুৰি তৃণমূল পৰ্যায়ত কাম কৰি আহিছে। সেই অনুসৰি বিৰোধী মিত্ৰজোঁটত বাস্তৱ সন্মতভাৱে প্ৰাৰ্থিত্ব বিচৰাৰ লগতে জয়লাভৰ সম্ভাৱনা থকা সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদানৰ বাবে দলে চেষ্টা কৰিব। সাংসদ অজিত কুমাৰ ভূঞাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, যে কংগ্ৰেছে কিমান আসনত প্ৰতিদ্বন্দ্বিতা কৰিব সেই লৈ ৰাজহুৱাকৈ মন্তব্য কৰাটো ইতিবাচক। অৱশ্যে, আসন ভাগ বটোৱাৰা সন্দৰ্ভত পুনৰ আলোচনাৰ থল আছে বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থ মেলাৰ আজি ষষ্ঠদিন। গ্ৰন্থমেলাত আজি **অসমীয়া উপন্যাসত সমাজ বাস্তৱতা ঃ সাম্প্ৰতিক কথন** শীৰ্ষক এখন আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। আলোচনা সত্ৰখন উদ্বোধন কৰিব বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী আৰু সঞ্চালনা কৰিব অনুৰাধা শৰ্মা পূজাৰীয়ে। আলোচনা সত্ৰখনত বিশিষ্ট সাহিত্যিক জয়ন্ত মাধৱ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ বিমল মজুমদাৰ আৰু ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা লিপিকা তালুকদাৰে আলোচক অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

গ্ৰন্থমেলাত কালি বছৰৰ অন্তিমটো দেওবাৰে গ্ৰন্থপ্ৰেমীৰ সমাবেশত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। গ্ৰন্থ মেলাৰ পঞ্চম দিনটো **শিশুৰ দিন** হিচাপে উদযাপন কৰা হয়।

০০০০০০০০০

ভাৰতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰা আৰম্ভ কৰি ক্ৰীড়া, বিজ্ঞান পৰীক্ষা আদি বিভিন্ন ক্ষেত্ৰত বিশ্বৰ বুকুত শক্তিশালী চাপ ৰাখিবলৈ সমৰ্থ হৈছে। আকাশবাণীযোগে প্ৰচাৰিত ১২৯ সংখ্যক মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৫ বৰ্ষটোত আলোকপাত কৰি কয়, যে এই বছৰটোৱে প্ৰতিজন ভাৰতীয়কে গৌৰৱ কৰিব পৰাকৈ ভালেমান স্মৃতি দি গৈছে। অপাৰেচন সিন্দূৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ ক্ষণ বুলি প্ৰধানমন্ত্ৰীয়ে মত পোষণ কৰে। তেওঁ বন্দে মাতৰমৰ ১৫০ বছৰ উদযাপনত দেশবাসীৰ স্পৃহা আৰু উদ্যমৰ শলাগ লয়। ক্ৰীড়াৰ দিশতো ২০২৫ চনটো উল্লেখনীয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতীয় পুৰুষ ক্ৰিকেট দলৰ আই চি চি চেম্পিয়নছ ট্ৰফী দখল আৰু মহিলা ক্ৰিকেট দলৰ প্ৰথমবাৰৰ বাবে বিশ্বকাপ দখলে দেশবাসীক উৎসাহিত কৰে। তেওঁ লগতে মহিলাৰ দৃষ্টিহীন টি-২০ বিশ্বকাপত ভাৰতীয় দলে খিতাপ দখলেৰে যি ইতিহাস ৰচিলে তাৰবাবে প্ৰতিগৰাকীয়ে খেলুৱৈক প্ৰশংসা

কৰে। বিজ্ঞান আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰতো চলিত বৰ্ষত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooooooo

নগাঁও জিলাৰ কলিয়াবৰৰ কুঁৱৰীটোলৰ গান্ধী খেল-পথাৰত অহা ২ জানুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সোণালী জয়ন্তী তথা ত্ৰিংশতিতম দ্বিবাৰ্ষিক অধিৱেশনৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়াই প্ৰকাশ কৰা মতে এই সমাৰোহত আলোচনাচক্ৰ, কবি সন্মিলন, প্ৰতিনিধি সভা আৰু মুকলি সভা অনুষ্ঠিত হোৱাৰ লগতে এহেজাৰ ১১১ খন অনলাইন গ্ৰন্থ উন্মোচন কৰা হ'ব। লেখিকা সমাৰোহ সমিতিৰ স্বৰ্ণজয়ন্তী উপলক্ষে নাট্যকাৰ-পৰিচালক তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী ঋতুপৰ্ণ দাসকে ধৰি অসমৰ সমাজ, সাহিত্য-সংস্কৃতিলৈ অৱদান আগবঢ়োৱা ৪০ গৰাকী লোকক বিভিন্ন বঁটাৰে সন্মানিত কৰা হ'ব। নাট্যকাৰ ঋতুপৰ্ণ দাসক চাৰি জানুৱাৰীত হ'বলগীয়া মুকলি সভাত কৃষ্ণ ৰায় মেধি নাট্য সাহিত্য শিল্পী বঁটা প্ৰদান কৰা হ'ব।

ooooooo

বিশিষ্ট সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়া অসমৰ সংবাদ গোষ্ঠী প্ৰাগ নিউজ আৰু দৈনিক জনমভূমি কাকতে **বৰেণ্য অসমীয়া** বঁটা প্ৰদান কৰিব। সাহিত্যিকগৰাকীৰ ডিব্ৰুগড় জিলাৰ ফুকন নগৰত অৱস্থিত বাসগৃহ **আশ্ৰয়ত** কাইলৈ এই বঁটা প্ৰদান কৰা হ'ব। বঁটা প্ৰদান অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ জিতেন হাজৰিকা, প্ৰাক্তন উপাচাৰ্য্য ড০ কন্দৰ্প কুমাৰ ডেকা, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, প্ৰাগ নিউজৰ মুখ্য পৰিচালন সঞ্চালক সঞ্জীৱ নাৰায়ণ আৰু দৈনিক জনমভূমি কাকতৰ সম্পাদক সঞ্জীৱ ফুকনকে ধৰি ভালেমান গণ্যমান্য লোক উপস্থিত থাকিব।

ooooooooo

ধেমাজী জিলাৰ গোগামুখত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ নাট সমাৰোহৰ দ্বিবাৰ্ষিক অধিবেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। কালি দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ মুকলি সভাত ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকি নাট্যপ্ৰেমী ৰাইজৰ সৈতে ৰাইজৰ সৈতে মত বিনিময় কৰে।

ooooooooo

বিশ্বনাথ জিলাৰ বাঘমাৰীত কালি জিলা প্ৰশাসনে দখলীকৃত ভি জি আৰ ভূমিত উচ্ছেদ অভিযান চলায়। জিলা প্ৰশাসনে যোৱা আগষ্টত অঞ্চলটোৰ ভূমি দখল কৰি থকা ৭৩২ টা পৰিয়াললৈ জাননী জাৰি কৰিছিল, কিন্তু ইয়াৰে ৬৮ টা পৰিয়ালে উচ্চ ন্যায়ালয়ৰ কাষ চপাৰ বাবে উচ্ছেদ অভিযান স্থগিত ৰাখিবলগীয়া হৈছিল। প্ৰশাসনে কালি ন্যায়ালয়ৰ বিবেচনাধীন ৬৮ টা পৰিয়ালৰ বাসগৃহৰ বাহিৰে বাকী ৬৬৪ টা পৰিয়ালৰ বাসগৃহত শান্তিপূৰ্ণভাৱে উচ্ছেদ চলায়।

ooooooooo

তিৰৱনন্তপুৰমত অনুষ্ঠিত মহিলা টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত যোৱানিশা ভাৰতে, শ্ৰীলংকাক ৩০ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই শ্ৰীলংকাক ২২২ ৰানত বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলৰ হৈ স্মৃতি মান্ধানাই ৮০ আৰু শেফালি বাৰ্মাই ৭৯ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৯১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ চামাৰী আথাপট্টুৱে ৫২ ৰান কৰে। ভাৰতৰ অৰুন্ধতী ৰেড্ডী আৰু বৈষ্ণৱী শৰ্মাই দুটাকৈ উইকেট দখল কৰাৰ লগতে এন ছ্ৰনীয়ে এটা উইকেট লাভ কৰে। স্মৃতি মান্ধানাক প্লেয়াৰ অব্ দ্যা মেচ ঘোষণা কৰা হয়।

এই জয়ৰ সুবাদত ভাৰতে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাত ৪-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল  কাইলৈ তিৰৱনন্তপুৰমতে অনুষ্ঠিত হ'ব।

ooooooooo

গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম আগমন, দেশৰ ভিতৰতে দ্ৰুত বিকশিত ৰাজ্যত পৰিণত অসম, কাৰ্বি আংলঙত পুনৰ ম'বাইল ইণ্টাৰনেট সেৱা বাহাল আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

সমাগত বিধানসভা নিৰ্বাচনত কংগ্ৰেছে ১০০ টা সমষ্টিত দলীয় প্ৰাৰ্থিত্ব আগবঢ়াব। প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কৰা মন্তব্যৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** আৰু **দি আছাম ট্ৰিবিউন** কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বটদ্ৰৱাৰ আধ্যাত্মিক ক্ষেত্ৰ মুকলি কৰিব। **দৈনিক জনমভূমি** কাকতে বাতৰিটো 'গুৰুভূমিত অনবদ্য কীৰ্তিস্তম্ভ' শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ তথ্য তালিকাত বিগত ৫ বছৰত ভাৰতৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতিৰ ৰাজ্য হিচাপে অসমে স্থান লাভ কৰিছে। এই বাতৰি **দৈনিক অসম** কাকতৰ।

কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰু লখিমপুৰৰ বঙালমাৰাত দুৰ্বৃত্তই আৰক্ষীক আক্ৰমণ কৰাৰ এটা বাতৰি **আমাৰ অসম** কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

বিশ্বনাথ জিলাৰ বাঘমাৰীত ভি জি আৰৰ ২৬৫ বিঘা ভূমি কালি জিলা প্ৰশাসনে দখলকাৰীৰ কবলৰ পৰা মুক্ত কৰে। এই বাতৰি **নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত** আৰু **অসমীয়া খবৰ**  কাকতে প্ৰকাশ কৰিছে।

অৰণ্য মানৱৰূপে খ্যাত যাদৱ পায়েঙৰ নতুনকৈ গছপুলি ৰোপণ কৰা মোলাই-কাঠনিত দুৰ্বৃত্তই অগ্নি সংযোগ কৰাৰ ফলত ১০ বিঘা বনাঞ্চল জুইত জাহ যায়। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

২০১৬-১৭ বিত্তীয় বৰ্ষত অসমৰ কৃষকসকলে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ৭২৪ কোটি টকা লাভ কৰাৰ এটা বাতৰি **দা ছেণ্টিনেল** কাকতে স্থান দিছে।

ooooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ সামান্য ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয় আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ আৰু অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০০

সমাপ্ত